**Regional News Unit**
**All India Radio, Guwahati**
**0000000000**

Date : 20-08-2024 Time : 1800 Hrs.

*Assamese Evening Bulletin*

0000000

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা, এন আই এলৈ হস্তান্তৰ কৰাৰ কথা ঘোষণা কৰিছে। আজি কাহিলিপাৰাত আৰক্ষীৰ প্ৰশিক্ষণ সমাপ্তিৰ কুচকাৱাজত অংশ লোৱাৰ পাছত সংবাদ মাধ্যমৰ আগত শ্ৰীসিঙে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বোমা উদ্ধাৰৰ ঘটনা সন্দৰ্ভত মুঠ ১০টা গোচৰ ৰুজু কৰা হৈছে। ইয়াৰে গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থালৈ হস্তান্তৰৰ বাবে অসম চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। সঞ্চালকপ্ৰধানগৰাকীক কয় যে, শিৱসাগৰত এই ঘটনাৰ তদন্ত যথেষ্ট আগবাঢ়িছে আৰু ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত ৪ জন লোকক আটক কৰা হৈছে। ইপিনে কালি গুৱাহাটীৰ এটা শ্বপিং ম'লত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীসিঙে কয় যে, গুৱাহাটীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ শ্বপিং ম'ল আৰু হাস্পতাললৈ বিগত ছমাহ ধৰি ইমেইলৰ জৰিয়তে বোমা সংস্থাপনৰ ভুৱা ভাবুকি আহি আছে। কোনো দুষ্টচক্ৰই এনে কাম সংঘটিত কৰি থকা বুলি প্ৰকাশ কৰি তেওঁ কয় যে, এই সন্দৰ্ভত কেন্দ্ৰীয় সংস্থাই সংশ্লিষ্ট ৰাজ্যসমূহৰ আৰক্ষীৰ সহযোগত তদন্ত অব্যাহত ৰাখিছে। সঞ্চালকপ্ৰধানগৰাকীয়ে লগতে কয় যে, অসমত সম্প্ৰতি শান্তিৰ পৰিৱেশে বিৰাজ কৰিছে আৰু কোনো কাৰণতে এই পৰিৱেশ বিঘ্নিত কৰাটো উচিত নহয়। এনেক্ষেত্ৰত কোনো লোকে আইন ভংগ কৰি বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰিলে অসম আৰক্ষীয়ে কঠোৰ ব্যৱস্থা ল'ব বুলি তেওঁ উল্লেখ কৰে। এইক্ষেত্ৰত কোনো লোকৰ কিবা অভিযোগ থাকিলে সেয়া চৰকাৰক অৱগত কৰিবলৈ তেওঁ আহ্বান জনায়।

0000000

যোৱা নিশাৰে পৰা হোৱা ধাৰাযাৰ বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীৰ ভালেমান অঞ্চল বানত বুৰ গৈছে। গুৱাহাটী মহানগৰীৰ হাতীগাঁও, ৰুক্মিনীগাঁও, পাঞ্জাবাৰী, নবীন নগৰ, অনিল নগৰ, চানমাৰি আদি অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। একেদৰে যোৰাবাটত হোৱা কৃত্ৰিম বানৰ ফলত যাতায়াতৰ ক্ষেত্ৰত জনসাধাৰণৰ ভীষণ সমস্যাৰ সৃষ্টি হৈছে। মাজ নিশাৰে পৰা হৈ থকা বৰষুণৰ পাছতে যোৰাবাটৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কৃত্ৰিম বানৰ সৃষ্টি হয়।

ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ধাৰাসাৰ বৰষুণৰ আশংকা কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যৰ বাবে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যৰ ভিন্ন স্থানত কাইলৈও বৰষুণ হোৱাৰ সম্ভাৱনা জাৰি কৰিছে।

0000000

কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা অনুসৰি ২০২৩-২৪ বিত্তীয় বৰ্ষত ৭ কোটি ৩০ লাখ ইণ্টাৰনেট গ্ৰাহক আৰু ৭ কোটি ৭০ লাখ ব্ৰ'ডবেণ্ড সেৱাৰ গ্ৰাহক সংযুক্ত হৈছে। যোগাযোগ মন্ত্ৰালয়ৰ মতে এই সময়ছোৱাত ৮৮ কোটিৰ পৰা ৯৫ কোটিৰো অধিক গ্ৰাহকে ইণ্টাৰনেটৰ সেৱা লাভ কৰিছে। এই বিত্তীয় বৰ্ষত ভাৰতীয় টেলিকম খণ্ডতো উল্লেখযোগ্য উন্নয়ন হৈছে। ভাৰতীয় টেলিকম নিয়ন্ত্ৰণ প্ৰাধিকৰণৰ বাৰ্ষিক প্ৰতিবেদন অনুসৰি দেশত টেলিফোন গ্ৰাহকৰ সংখ্যা যোৱা বছৰৰ মাৰ্চ মাহৰ শেষৰ পৰা এই বৰ্ষৰ মাৰ্চ মাহৰ শেষলৈ ১১৭ কোটিৰ পৰা ১২০ কোটিলৈ বৃদ্ধি হৈছে।

০০০০০০০

শিৱসাগৰত এগৰাকী যুৱতীক প্ৰহাৰ কৰা ঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্থিতিৰ পাছত আজি শিৱসাগৰ যুৱ দ'লত জিলাখনৰ ৩০টা জনগোষ্ঠী সংগঠনৰ সৈতে জিলাখনৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু এখন বৈঠকত মিলিত হয়। সদৌ টাই আহোম ছাত্ৰ সন্থা, বীৰ লাচিত সেনা, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদকে ধৰি ৩০টা দল-সংগঠনৰ সৈতে হোৱা বৈঠকত মন্ত্ৰীগৰাকীয়ে এই বিষয়টো অসম চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰা বুলি মন্তব্য কৰে। মন্ত্ৰী পেগুৱে বৈঠকৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত জনগোষ্ঠীয় সংগঠনসমূহে খিলঞ্জীয়া ভূমিৰ অধিকাৰকে ধৰি বিভিন্ন বিষয়ত উত্থাপন কৰা দাবীসমূহ চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিব বুলি জানিবলৈ দিয়ে। জিলাখনৰ আয়ুক্ত আদিত্য বিক্ৰম যাদৱ, আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাকে ধৰি শীৰ্ষ প্ৰশাসনিক বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত জিলাখনত অসমীয়া আৰু একাংশ অনা-অসমীয়া ব্যৱসায়ী সমাজৰ মাজত হোৱা সংঘাতময় পৰিস্থিতিৰ অৱসান ঘটোৱাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হয়। উল্লেখযোগ্য যে যোৱা ১৩ আগষ্টত শিৱসাগৰ নগৰৰ বাবুপট্টিত এগৰাকী যুৱতীক তিনিজন ব্যৱসায়ীয়ে প্ৰহাৰ কৰাক লৈ এই সংঘাতময় পৰিস্থিতিৰ সূচনা হৈছিল।

০০০০০০০

লখিমপুৰ জিলাৰ আয়ুক্ত আৰু জিলা কৃষি বিষয়াৰ নেতৃত্বত কৃষি বিভাগৰ এটা উচ্চস্তৰীয় দলে আজি জিলাখনত চলি থকা কৃষি বিভাগৰ আঁচনিসমূহ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়। তেওঁলোকে আঁচনিসমূহৰ ৰূপায়ণৰ বুজ ল'বলৈ বগী নদী কৃষি চক্ৰ আৰু ছাবতি কৃষি চক্ৰৰ কেইবাটাও অঞ্চল পৰিদৰ্শন কৰে। তেওঁলোকে সামূহিক কঠিয়াতলী আঁচনিৰ অধীনত বানবিধবস্ত অঞ্চলত কৃষকক প্ৰদান কৰা ধানৰ সঁচ পৰীক্ষা কৰে। তেওঁলোকে লগতে বগী নদী বকুলবাৰী গাঁৱত ৰাষ্ট্ৰীয় খোৱাতেল অভিযানৰ অধীনত ৰোপণ কৰা তৈল খেজুৰৰ পুলিসমূহ পৰিদৰ্শন কৰে।

০০০০০০০

মিছিং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ পৰিষদীয় সমষ্টিসমূহৰ ক্ষেত্ৰীয় পৰিসীমা নিৰ্ধাৰণৰ বাবে ধেমাজি জিলাৰ আয়ুক্তই জাননীযোগে ৪০টা সাধাৰণ পৰিষদীয় সমষ্টি পুনৰ নিৰ্ধাৰণৰ খচৰা প্ৰকাশ কৰিছে। জাননী অনুসৰি অহা ১৬ ছেপ্তেম্বৰৰ ভিতৰত সংশ্লিষ্ট পক্ষসমূহে খচৰা সন্দৰ্ভত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। তিনিচুকীয়া সমন্বিত জনজাতি উন্নয়ন প্ৰকল্প সঞ্চালকক দাবী আৰু আপত্তি নিষ্পত্তিকৰণত সহায়ৰ বাবে ডেজিগনেটেড জিলা বিষয়া হিচাপে মনোনীত কৰা হৈছে। সেই অনুসৰি প্ৰকাশিত খচৰাৰ ৩৬ নম্বৰ শদিয়া সমষ্টিৰ ক্ষেত্ৰত দাবী বা ওজৰ-আপত্তি থাকিলে সংশ্লিষ্ট পক্ষই তেওঁৰ কাৰ্যালয়ত যোগাযোগ কৰিবৰ বাবে আহ্বান জনোৱা হৈছে।

০০০০০০০

ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি মাজুলী জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত কমলাবাৰীৰ বিবেকানন্দ কেন্দ্ৰত ছাত্ৰ-ছাত্ৰীৰ মাজত অন্তৰংগ আলাপ আৰু কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। মাজুলী জিলা  বিদ্যালয়সমূহৰ পৰিদৰ্শক লিপিকা বুঢ়াগোঁহাইয়ে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। আনহাতে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পদাৰ্ত বিজ্ঞানৰ সহযোগী অধ্যাপক ড০ ৰাজীৱ শইকীয়া আৰু জেংৰাইমুখ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ৰুমাজ্যোতি হাজৰিকাই ছাত্ৰ-ছাত্ৰীৰ সৈতে অন্তৰংগ আলাপত অংশ লয়।

০০০০০০০

**সমাপ্ত**